লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ৩; জুলাই-ডিচেম্বৰ, ২০২১

# ঐপুলিৰ সপোনৰ দেশত এভুমুকি

✍ নিশা ভূঞা

ছ'চিয়েল মিডিয়া বা সামাজিক মাধ্যমৰ অলেখ নেতিবাচক দিশৰ কথা প্ৰায়ে বহুলোকে উনুকিয়ায়। কিন্তু এই সাৰ্বজনীন মাধ্যমৰ ইতিবাচক দিশসমূহ উলাই কৰিব নোৱাৰি। তাৰ ভিতৰত অন্যতম হৈছে সামাজিক মাধ্যমত হোৱা সাহিত্য চৰ্চা। বিশেষকৈ ফেচবুকত বহুলোকে নিৰলসভাৱে সাহিত্য চৰ্চা কৰা পৰিলক্ষিত হয়। শেহতীয়াভাৱে ফেচবুকত ৰচিত হোৱা বহু অনন্য সাহিত্যৰাজি গ্ৰন্থৰূপে প্ৰকাশ হৈ ওলাইছে। সেই সমূহৰ ভিতৰত সামাজিক উপন্যাস "ঐপুলিৰ সপোনৰ দেশ" বিশেষভাৱে উল্লেখযোগ্য। উপন্যাসখনৰ স্ৰষ্টা হৈছে ভৱানী পেগু। ফেচবুকৰ অতি জনপ্ৰিয় মহিলাগোট "অৰ্দ্ধ আকাশ"ত ধাৰাবাহিকৰূপে দীৰ্ঘসময়ৰ বাবে প্ৰকাশ পোৱা এই উপন্যাসখন ২০২০ চনৰ ডিচেম্বৰ মাহত "বনলতা"ই ছপাৰূপত প্ৰকাশ কৰি উলিয়াইছে।

উপন্যাসখনৰ স্ৰষ্টা ভৱানী পেগু পেছাগতভাৱে ডিব্ৰুগড়ৰ বি.এছ.চি. নাৰ্চিং মহাবিদ্যালয়ৰ প্ৰবক্তা। "এজাক ধুমুহাৰ পিছত" হৈছে তেওঁ ৰচনা কৰা প্ৰথমখন উপন্যাস। এই উপন্যাসখনে ২০১৮ চনত বিন্দু গোষ্ঠীৰ দ্বাৰা আয়োজিত ডঃ দণ্ডীনাথ চৌধুৰী সোঁৱৰণি সাহিত্য বঁটা লাভ কৰিছিল। "ঐপুলিৰ সপোনৰ দেশ" উপন্যাসখন তেওঁ ফেচবুকত ৰচনা কৰিছিল যদিও ডিজিটেল মাধ্যমৰ সমান্তৰালভাৱে ছপাৰূপতো উপন্যাসখনে পঢ়ুৱৈ সমাজৰ সমাদৰ লাভ কৰা দেখিবলৈ পোৱা গৈছে।

"ঐপুলিৰ সপোনৰ দেশ"ৰ জৰিয়তে প্ৰকৃতাৰ্থত এনে এখন দেশৰ, এনে

এখন সমাজৰ পৰিকল্পনা দাঙি ধৰা হৈছে য'ত সমাজৰ নিষ্পেষিত, অৱহেলিত, প্ৰতাৰিত প্ৰতিজনলোকে যথোচিত আদৰ-সন্মান লাভ কৰিব। তেনে এখন দেশত বিভিন্ন কাৰণত মানসিকভাৱে অসুস্থ হৈ পৰা লোকসকলে লাভ কৰিব স্নেহৰ পৰশ। তেনে দেশত জন্মতেই আপোনজনৰ দ্বাৰা অৱহেলিত হৈ পথৰ কাষত অথবা ডাষ্টবিনত পৰি ৰোৱা প্ৰতি শিশুৰ জীৱন আৰু ভৱিষ্যৎ সুৰক্ষিত হ'ব। এই সুন্দৰ সপোনৰ বীজটিয়েই ভৱানী পেগুৱে আলফুলে উপন্যাসখনত ঐপুলি চৰিত্ৰটিৰ জৰিয়তে ৰোপণ কৰিছে।

দৰাচলতে ভৱানী পেগুৱে পঢ়ি থকা কালতেই তেজপুৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিস্থানলৈ যোৱাৰ সুযোগ পাইছিল।তদুপৰি তেওঁ গুৱাহাটী মেডিকেল কলেজৰ চাইকীয়াট্ৰি ৱাৰ্ডত এডুকেচনেল পোষ্টিং পাইছিল। তেনেদৰেই তেওঁ মানসিক ৰোগীসকলৰ সান্নিধ্যলৈ আহিছিল, তেওঁলোকৰ মনোজগতখনৰ বিষয়ে ভালকৈ বুজি উঠিছিল। তেওঁলোকৰ সমস্যাবোৰ কিমান গভীৰ হ'ব পাৰে , সেই কথাও অনুধাৱন কৰিছিল। পৰৱৰ্তী সময়তো এই সকলো কথা মনৰ মাজত কঢ়িয়াই লৈ ফুৰিছিল। দৰাচলতে তেওঁ হেনো মনত "পদুম" নামৰ চৰিত্ৰটি কঢ়িয়াই লৈ ফুৰিছিল(এই সকলো কথা উপন্যাসখনৰ আগকথাত সন্নিবিষ্ট কৰা হৈছে)। পদুম চৰিত্ৰটি সম্পূৰ্ণ কৰিবৰ বাবেই তেওঁ ঐপুলি, মিগম, বসন্ত, আপ্পুন, চম্পা, হৰকান্ত, অনিৰ্বাণ শৰ্মা, বিভূতি, নীলম, মেঘনা আদি চৰিত্ৰ সৃষ্টি কৰে। পিছে উপন্যাসৰ কাহিনীৰ দাবীতেই ঐপুলি হৈ পৰে উপন্যাসখনৰ মূল চৰিত্ৰ। গৰুকামুখ, সোৱণশিৰীৰ পটভূমিত ৰচিত উপন্যাসখনত মিচিং সমাজ খনৰ আৰু তেওঁলোকৰ পৰম্পৰাৰো সুন্দৰ চিত্ৰায়ন হৈছে। সমান্তৰালভাৱেই চিত্ৰিত হৈছে মানসিক ৰোগীসকলৰ জীৱন আৰু তেওঁলোকৰ আৱেগৰ সকলো দিশ। এই ৰোগীসকলৰ যথাযথ চিকিৎসাৰ কিছু দিশো উপন্যাসখনত তুলি ধৰা হৈছে। কেৱল মৰম আৰু তেওঁলোকৰ

মনোজগতখনত বিচৰণৰ জৰিয়তে কি দৰে তেওঁলোকৰ মনৰ দুখৰ বহু পৰিমাণে উপশম কৰিব পাৰে, তাৰো উদাহৰণ ঐপুলি আৰু পদুমৰ চিকিৎসালয়ত গঢ়ি উঠা সম্পৰ্কৰ পৰা বুজিব পাৰি। উপন্যাসখনৰ সৰল উপস্থাপন শৈলী, কাহিনী বিন্যাসে প্ৰতিজন পঢ়ুৱৈক আৰম্ভণিৰ পৰা শেষলৈ একেই আকৰ্ষণ আৰু কৌতুহলেৰে বান্ধি ৰাখিব পৰিব। অৱশ্যে উপন্যাসখনৰ শেষ অংশৰ কাহিনীভাগ কিছু তড়িৎ গতিৰে আগবাঢ়ি যোৱা বুলি ব্যক্তিগতভাৱে আমাৰ অনুভৱ হয়(বিশেষকৈ ঐপুলি নিজৰ জন্মৰ ঘৰখনলৈ যোৱা, ঘৰখনত উদ্ভৱ হোৱা পৰিবেশ, পদুমৰ অতীত পৰিয়ালৰ সন্মুখত উন্মোচন, পদুমৰ মোমায়েকৰ মৃত্যু আদি)। হয়তো উপন্যাসখনৰ সুবৃহৎ কলেবৰৰ প্ৰতি লক্ষ্য ৰাখিও স্ৰষ্টাগৰাকীয়ে কাহিনীভাগ তেনেদৰে আগবঢ়াই নিছে। সামাজিক মাধ্যমত ৰচিত হোৱা বাবেই উপন্যাসখনৰ মননশীলতাৰ ওপৰত প্ৰশ্ন তোলাতো নিশ্চিতভাৱেই ভুল হ'ব। উপন্যাসৰ পঢ়ুৱৈসকলে এই কথা ভালদৰেই অনুভৱ কৰিব। সৰ্বশেষত "ঐপুলিৰ সপোনৰ দেশ"এ যে প্ৰকৃতাৰ্থত পঢ়ুৱৈ সমাজক এক নতুন চিন্তাৰ খোৰাক দিবলৈ সক্ষম হ'ব, সেই কথা বিনাদ্বিধাই ক'ব পাৰি। ৫৭৫ পৃষ্ঠাৰ এই উপন্যাসখনৰ মূল্য ৫৮০ টকা।

**যোগাযোগৰ ঠিকনা:**
গুৱাহাটী
মোবাইল: ৯৭০৬৬২৫০২৫